**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-03-2026 **Time :** 6.45 Hrs

**ASSAMESE EVEN BULLETIN**
**HEADLINES (6.45 PM)**
**::::::::::::::::::::**

১। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমাৰ আজি অন্ত।

২। বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৩। বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ ছুইপ কাৰ্যসূচী।

৪। ৰাজ্যত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল আৰু ডিজেল মজুত আছে বুলি মুখ্য সচিব ড০ ৰবি কোটাৰ প্ৰকাশ।

**আৰু**

৫। অশোকাষ্টমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্ৰহ্মপুত্ৰৰ পাৰত ভক্তৰ সমাগম। ঠায়ে ঠায়ে অশোকাষ্টমী মেলা। ০০০০০০০

সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমাৰ আজি অন্ত পৰিছে। চি পি আইয়ে আজি **শিৱসাগৰ** বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰিছে। সমষ্টিটোৰ বাবে চি পি আইৰ হৈ মদন বৰুৱাই মনোনয়ন দাখিল কৰিছিল। বিয়লি এখন সংবাদমেলযোগে এই কথা প্ৰকাশ কৰি দলটোৱে শিৱসাগৰত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অখিল গগৈলৈ সমৰ্থন আগবঢ়াব বুলি স্পষ্ট কৰিছে। **বজালী** জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত সমষ্টিটোত এতিয়া মুঠ ৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। **চিৰাং** জিলাত আজি ৪ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। মনোনয়ন প্ৰত্যাহাৰ কৰা আটাইকেইগৰাকী প্ৰাৰ্থী বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। সমষ্টিটোত মুঠ ১৭ গৰাকীয়ে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। **নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ভিতৰত ধিং বিধানসভা সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। কাছাৰ জিলাৰ উধাৰবন্দ সমষ্টিতো এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। এতিয়ালৈকে প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ আনুষ্ঠানিক তথ্য লাভ কৰা হোৱা নাই।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত মনোনয়ন পৰীক্ষা কৰাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে।

০০০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰ্থেবাৰীত এন ডি এৰ প্ৰাৰ্থী দীপক কুমাৰ দাসৰ সমৰ্থনত এখন প্ৰচাৰ সভাত অংশ লয়। তেওঁ লগতে আজি বজালীত অগপৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়ৰ সমৰ্থনত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে মঙলদৈত বিজেপি প্ৰাৰ্থী নিলীমা দেৱীৰ সমৰ্থনত এটা ৰোড শ্ব'ত অংশ লয়।

তামুলপুৰ বিধানসভা সমষ্টিৰ বাবে আজি বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোটৰ নিৰ্বাচনী মুখ্য কাৰ্য্যালয় মুকলি কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি এন ডি এ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীয়ে বৰ্তমান সমষ্টিটোৰ প্ৰতিটো প্ৰান্ততে প্ৰচাৰ অভিযান পূৰ্ণ গতিত চলি আছে বুলি সংবাদ মাধ্যমক অৱগত কৰে। তেওঁ লগতে পৰহিলৈ দৰঙাজুলিত মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰচাৰ সভাত অংশ ল'ব বুলি জানিবলৈ দিয়ে।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰচাৰ কাৰ্যসূচীত অংশ লোৱাৰ কথা। ৰঙিয়াৰ পালাৰাত কংগ্ৰেছ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰীয়ে নিৰ্বাচনী কাৰ্য্যালয় মুকলি কৰে। ডিব্ৰুগড়ৰ খোৱাং সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে আজি প্ৰচাৰ চলাইছে। ধেমাজিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী শৈলেন সোণোৱালে অসম জাতীয় পৰিষদৰ চিত্ৰ ৰঞ্জন বসুমতাৰীৰ সৈতে এটা ৰোড শ্বত অংশ লৈছে।

বিজেপিৰ নেতা তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি নুনমাটিৰ শ্বহীদ নগৰত ডিমৰীয়া সমষ্টিৰ অগপ প্ৰাৰ্থী ড০ তপন দাসৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। দিছপুৰৰ বিজেপি প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৰুক্মিণী গাওঁ, বশিষ্ঠ, বেলতলা, খানাপাৰা, সিজুবাৰী আদি অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। নিউ গুৱাহাটী প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাই প্ৰাক্তন সাংসদ বিজয়া চক্ৰৱৰ্ত্তীৰ সৈতে হেঙেৰাবাৰী, পল্টন বজাৰ অঞ্চলত প্ৰচাৰ চলায়। দিছপুৰৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি ঘোঁৰামৰাৰ পৰা মটৰ চাইকেল সমদল উলিয়াই নিৰ্বাচনী প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে, বিজেপি, এজিপি আৰু কংগ্ৰেছে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৮, আৰু ২৯ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টিয়েও আজি তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। আপৰ নেতা অৰবিন্দ কেজৰিৱাল, মনীষ চিচ'ডিয়া, ভগৱন্ত সিং মান, আটিশীকে ধৰি ৪০ জন তাৰকা প্ৰচাৰকে দলটোৰ হৈ ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

২০১৫ চনত গঠিত চৰাইদেউ জিলাত দুটা বিধানসভা সমষ্টি– সোণাৰী আৰু মাহমৰাৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। সোণাৰী সমষ্টিত চাৰিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক

বিজেপিৰ ধৰ্মেশ্বৰ কোঁৱৰ, কংগ্ৰেছৰ উৎপল গগৈ, জে এম এমৰ বলদেৱ তেলী আৰু নিৰ্দলীয় প্ৰাৰ্থী ৰাজু কাৰুৱাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ২০১৯ চনৰ পৰা সোণাৰী সমষ্টিটো বিজেপিৰ দখলত আছে। সমষ্টিটোৰ মুঠ ভোটদাতাৰ ১ লাখ ৭১ হাজাৰ ৮৫৫ গৰাকী। ইয়াৰে পুৰুষ ৮৪ হাজাৰ ৬০২ গৰাকী আৰু মহিলা ৮৭ হাজাৰ ২৫২ গৰাকী। সমষ্টিটোত তৃতীয় লিংগৰ এগৰাকী ভোটদাতা আছে। ২০৭টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইপিনে মাহমৰা সমষ্টিত এইবাৰ বিজেপিৰ সূৰুজ দিহিঙীয়া আৰু কংগ্ৰেছৰ জ্ঞানদ্বীপ মহনৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব। সমষ্টিটোত মুঠ ভোটদাতা এক লাখ ৪৮ হাজাৰ ৬৯৬ গৰাকী। ইয়াৰে পুৰুষ ভোটদাতা ৭২ হাজাৰ ৮০৫ আৰু মহিলা ভোটদাতা ৭৫ হাজাৰ ৮৮৯ গৰাকী। সমষ্টিটোত ১৮৪টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। চৰাইদেউ জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰ ৩৯১টা। ইয়াৰে প্ৰতিটো ভোটকেন্দ্ৰত বুথ পৰ্যায়ৰ বিষয়া নিয়োগ কৰি নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা লৈছে।

চৰাইদেউৰ পৰা আকাশবাণীৰ সংবাদদাতা নবুল কোঁৱৰৰ সৈতে মই পৰিস্মীতা দিহিঙীয়া।

OOOOOOO

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলা প্ৰশাসনসমূহে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোট গ্ৰহণত অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত ব্যাপক সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছে। **কামৰূপ** জিলাৰ আমিনগাঁৱত আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনৰ নিৰ্বাচনী শুভংকৰ মুকলি কৰে। জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি উৎসাহিত কৰি তোলাৰ উদ্দেশ্যে এই শুভংকৰ মুকলি কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। **মৰিগাঁও** জিলাত শেহতীয়াকৈ 'অমূল্য' শীৰ্ষক শুভংকৰ আৰু 'আমাৰ ভোট অমূল্য ভোট' শীৰ্ষক প্ৰচাৰ বাক্য, প্ৰতীকচিহ্ন আৰু শীৰ্ষ গীত উন্মোচন কৰা হয়। তদুপৰি ছুইপ কোষৰ উদ্যোগত নিৰ্বাচনী বিহুগীত মুকলি কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলত মুকাভিনয়ৰ পথ প্ৰদৰ্শকস্বৰূপ সংগীত নাটক একাডেমী বঁটাপ্ৰাপক মইনুল হকৰ মুকাভিনয়েৰে জিলাখনত ভোটদাতাসকলক সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ভোটদানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে কাইলৈ বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

**নগাঁও** জিলাত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে জিলা প্ৰশাসনে ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। নগাঁও জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ নিৰ্দেশ অনুসৰি বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ সৌজন্যত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

**মাজুলী** জিলা প্ৰশাসনে ভোটাৰ সজাগতাৰ উদ্দেশ্যে পৰিভ্ৰমী পক্ষী দেওৰাজ হাঁহক শুভংকৰ হিচাপে বাছনি কৰিছে। সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত ছুইপ কাৰ্যসূচীৰ অধীনত আয়োজিত অনুষ্ঠানত নিৰ্বাচনী সজাগতাৰ প্ৰতি লক্ষ্য ৰাখি আকৰ্ষণীয় ছেল্ফী পইণ্ট আৰু পেলনীয়া সামগ্ৰীৰ সৃজনীমূলক পুনৰ ব্যৱহাৰৰ এখন প্ৰদৰ্শনীও মুকলি কৰা হয়।

OOOOOOO

আসন্ন নিৰ্বাচন নিয়াৰীকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ লগতে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিয়োগ কৰা নিৰক্ষীণকাৰী দল আৰু ফ্লায়িং স্কোৱাডে

অভিযান অব্যাহত ৰাখিছে। দক্ষিণশালমাৰা মানকাছাৰ জিলাত আজি অভিযান চলাই ১ লাখ ৬৮ হাজাৰ টকা আৰু অবৈধ সুৰা জব্দ কৰা হয়। জিলা প্ৰশাসনৰ তত্ত্বাৱধানত ৯ টাকৈ ফ্লায়িং স্কোৱাড, নিৰীক্ষণকাৰী দল আৰু ভিডিঅ' নিৰীক্ষণকাৰী দল নিয়োজিত কৰা হৈছে। এই অভিযান সমূহত নিৰ্বাচনী বিধি উলংঘাৰ সৈতে জড়িত কেইবাটাও ঘটনা ধৰা পেলোৱা হয়।

বঙাইগাওঁ জিলাত আজি নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে মাইক্ৰ অৱজাৰভাৰ সকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আৰু প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই বৈঠকত নিৰ্বাচনৰ সাধাৰণ পৰ্য্যবেক্ষক পি স্বৰূপ আৰু জিলা আয়ুক্ত দিবাকৰ নাথে অংশ লয়। বৈঠকত অৱজাৰভাৰ সকলক নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালনাৰ বাবে প্ৰয়োজনীয় বিষয় সমূহ অৱগত কৰোৱা হয়।

ডিব্ৰুগড় জিলাৰ খোৱাং-ডিব্ৰুগড় আৰু চাবুৱা বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্য্যবেক্ষক আদৰ্শ তিৱাৰীয়ে সমষ্টি পৰিদৰ্শন কৰে। তেওঁ লগতে নিৰ্বাচনী কাম-কাজ সমূহৰ বুজ লয়।

০০০০০০০

কাছাৰ জিলাত এইবেলি ৰাজ্যৰ ভিতৰতে মহিলাৰ দ্বাৰা পৰিচালিত সৰ্বাধিক ভোটগ্ৰহণকেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। আসন্ন নিৰ্বাচনৰ জিলাখনৰ ১ হাজাৰ ৭৩২ টা ভোটগ্ৰহণকেন্দ্ৰৰ ভিতৰত ৩৯৮ টাই মহিলাই পৰিচালনা কৰিব। এই সন্দৰ্ভত শুনক শিলচৰৰ পৰা আমাৰ কাছাৰৰ সংবাদদাতা আঁখীৰাণী দাসৰ চমু প্ৰতিবেদন।

(ভইছ কাষ্ট)

০০০০০০০

কাছাৰ আৰক্ষীয়ে আজি শিলচৰত অভিযান চলাই অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা এজন নাইজেৰিয়াৰ নাগৰিকসহ ৫ জন লোকক গ্ৰেপ্তাৰ কৰে। কাছাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত পালে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে নাইজেৰিয়াৰ লোকজনে ঘনীৱালা অঞ্চলৰ এটা দম্পতী, মিজোৰামৰ এগৰাকী মহিলাসহ এজন স্থানীয় অট'চালকৰ সৈতে যাত্ৰা কৰিছিল। প্ৰাথমিক জেৰাৰ অন্তত আৰক্ষীয়ে আটাইকেইজন লোকক গ্ৰেপ্তাৰ কৰে। নাইজেৰিয়াৰ নাগৰিকজনৰ ওচৰত ভাৰতত প্ৰৱেশৰ কোনো বৈধ নথি-পত্ৰ নাছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আটাইকেইজন লোককে সম্প্ৰতি জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু চোৰাংচোৱা সংস্থাই জেৰা অব্যাহত ৰাখিছে।

০০০০০০০০

কামৰূপ মহানগৰ জিলাত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল আৰু ডিজেল মজুত আছে বুলি জিলা আয়ুক্ত স্বপ্নীল পালে প্ৰকাশ কৰিছে। হেঙেৰাবাৰীৰ জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত এখন জৰুৰী সংবাদমেলত আয়ুক্তগৰাকীয়ে ভৱিষ্যতেও জিলাখনত পেট্ৰ'ল আৰু ডিজেলৰ নাটনিৰ সম্ভাৱনা নাই বুলি মন্তব্য কৰিছে। শ্ৰীপালে কয়, যে ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেডৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলত ৪৫ লাখ লিটাৰ পেট্ৰ'ল আৰু ৬৫ লাখ লিটাৰ ডিজেল মজুত আছে। একেদৰে এইচ পি চি এলৰ টাৰ্মিনেলতো ৪ লাখ লিটাৰ পেট্ৰ'ল আৰু ১৮ লাখ লিটাৰ ডিজেল মজুত আছে বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি বি পি চি এলৰ নুমলীগড়ৰৰ টাৰ্মিনেলত ২৫ লাখ লিটাৰ পেট্ৰ'ল আৰু ডেৰ কোটিৰো অধিক লিটাৰ ডিজেল মজুত আছে বুলি জিলা

আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই টাৰ্মিনেলসমূহৰ পৰা তেল ডিপ'সমূহলৈ নিয়মীয়াকৈ পেট্ৰ'ল আৰু ডিজেল যোগান ধৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে জনসাধাৰণক ভীতিগ্ৰস্ত নহ'বলৈ আহ্বান জনায়।

**বাইট (স্বপ্নীল পাল)**

ইপিনে ৰাজ্যত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল আৰু ডিজেল মজুত আছে বুলি ইতিমধ্যে মুখ্য সচিব ড০ ৰবি কোটাই সামাজিক মাধ্যমযোগে সদৰী কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ চাৰিটা শোধনাগাৰ ক্ৰমে- নুমলীগড়, নুনমাটি, ডিগবৈ আৰু বঙাইগাঁৱত স্থানীয় চাহিদাতকৈ যথেষ্ট বেছি ইন্ধন উৎপাদন হয়। শোধনাগাৰসমূহৰ পৰা খুচুৰা বিপণীসমূহলৈ ইন্ধনৰ সৰবৰাহকে ধৰি যোগান শৃংখলাত কোনো ধৰণৰ বাধা সৃষ্টি হোৱা নাই বুলি মুখ্য সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক ভীতিগ্ৰস্ত হৈ অযথা পেট্ৰ'ল-ডিজেল ক্ৰয় কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। অযথা পেট্ৰ'ল-ডিজেল ক্ৰয় কৰাৰ ফলত স্বাভাৱিকতকৈ চাহিদা বৃদ্ধি পোৱাৰ বাবে একাংশ বিপণীত কৃত্ৰিম আৰু অস্থায়ী নাটনিৰ সৃষ্টি হ'ব পাৰে বুলিও তেওঁ সকীয়াই দিয়ে।

০০০০০০০০

আজি অশোকাষ্টমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মৃতকৰ অস্থি আৰু পিণ্ড দান কৰিবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত অগণন লোকৰ সমাগম হয়। ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰতো পুৱাৰেপৰা বহু লোকৰ সমাগম হয়। অশোকাষ্টমীৰ দিনটোত সনাতন ধৰ্মৰ লোকসকলে ধৰ্মীয় নীতি-নিয়ম ৰক্ষা কৰি স্নান কৰাৰ পৰম্পৰা চলি আহিছে। ধুবুৰীৰ বিভিন্ন প্ৰান্তৰ লোকৰ লগতে পশ্চিমবংগ, বিহাৰৰ অসংখ্য ভক্তৰ আগমনত ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰ তীৰ্থস্থানত পৰিণত হয়। অশোকাষ্টমী স্নানৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰেই এইবাৰো আজিৰেপৰা ধুবুৰীত ১৫-দিনীয়া অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে। অৱশ্যে নিৰ্বাচনৰ বাবে তিনিদিন মেলা বন্ধ ৰখা হ'ব। মেলাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া পশ্চিমবংগৰ ব্যৱসায়ীসকলেও অস্থায়ী বিপণীৰ জৰিয়তে অংশগ্ৰহণ কৰিছে। মেলা উপলক্ষে ধুবুৰী জিলা প্ৰশাসনে ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মেলাস্থলীত সুৰা বিক্ৰী আৰু সেৱন নিষিদ্ধ কৰা হৈছে। ভক্তসকলৰ সুবিধাৰ্থে স্বেচ্ছাসেৱী সংগঠনে থকা-খোৱাৰ ব্যৱস্থা কৰাৰ লগতে চহৰখনৰ স্বচ্ছতাৰ দিশত গুৰুত্ব দিছে।

কামৰূপ জিলাৰ শুৱালকুছিত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে। লগতে উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰৰ পাৰত থকা বিষ্ণুকুণ্ডত অস্থি আৰু পিণ্ড বিসৰ্জন কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যাত্ৰীসকলে পুৱাৰেপৰা ব্ৰহ্মপুত্ৰৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হয়। অশ্বক্ৰান্ত দেৱালয় সমিতিয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰীৰ শুক্ৰেশ্বৰ ঘাট, পলাশবাৰী আৰু বৰপেটা জিলাৰ বহৰিৰ ব্ৰহ্মপুত্ৰৰ পাৰতো অগণন লোক অশোকাষ্টমী উপলক্ষে পিণ্ডদানৰ বাবে উপস্থিত হয়।

০০০০০০০